# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো দ্ৰুত গতিত নিষ্পত্তিৰ দিশে আগবাঢ়িছে আৰু ২৫ নৱেম্বৰত অসম চৰকাৰে গঠন কৰা মন্ত্ৰীগোটে এই সন্দৰ্ভত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব। ইয়াৰ পাছতে জনজাতিকৰণৰ বিষয়টো কাৰ্যকৰী কৰাৰ পথ প্ৰশস্ত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়াত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে সম্প্ৰতি জনজাতি হিচাপে মৰ্যাদা লাভ কৰি থকা বড়ো, ৰাভা, মিচিং, সোণোৱাল-কছাৰী আদি লোকসকলৰ মৰ্যাদা লাঘৱ নোহোৱাকৈ বাকী জনগোষ্ঠীসমূহক জনজাতিৰ মৰ্যাদা দিয়াৰ বাবে সকলো দিশ চালি-জাৰি চোৱা হৈছে।

**ৰাইট (চি এম)**

উজনি অসমৰ তিনিখন জিলাত চাৰিদিনীয়া ভ্ৰমণসূচীৰে আজি তিনিচুকীয়াত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে জিলাখনত এটা সুসজ্জিত আৰৰ্ত ভৱন উদ্বোধন কৰে। জিলাখনৰ গেলাপুখুৰী বাইপাছৰ সন্মিলন কক্ষৰ চৌহদত নিৰ্মাণ কৰা এই আৰৰ্ত ভৱনটোৱে ৰাইজক উপকৃত কৰিব বুলি উল্লেখ কৰে। এই কাৰ্যসূচীত মন্ত্ৰী বিমল বৰা, ৰূপেশ গোৱালা, সাংসদ ৰামেশ্বৰ তেলীৰ লগতে কেইবাগৰাকীও বিধায়ক, মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ পাৰিষদবৰ্গ আৰু কেইবাগৰাকীও দলীয় নেতা উপস্থিত আছিল। তেওঁ আজি সন্ধিয়া জিলাখনত দলীয় নেতা-কৰ্মীৰ সৈতে মত-বিনিময় কৰিব। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণ কালত ডিব্ৰুগড় আৰু ধেমাজি জিলাত কেইবাটাও উন্নয়নমূলক কাৰ্যসূচীত অংশ ল'ব।

০০০০০

বুনিয়াদী অৰ্থনীতি সবলীকৰণেৰে ৰাজ্যক প্ৰগতিৰ দিশেৰে লৈ যোৱাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে ভাষণ দিয়ে। অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ জৰিয়তে ৰাজ্যৰ ৩৮ লাখ মহিলা উপকৃত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই আঁচনিৰ অধীনত কোনো লোকে ধন নাপালে, ততালিকে সংশ্লিষ্ট কৰ্তৃপক্ষক অভিযোগ কৰিবলৈ তেওঁ আহ্বান জনায়। মহিলা হিতাধিকাৰীসকলক এই আঁচনিৰ ধন সময়মতে পাবলৈ যোগাযোগৰ বাবে একাউণ্ট সংযোগী ফোন নম্বৰ আৰু বেংকৰ কে ৱাই চি সক্ৰিয় কৰি ৰাখিবলৈও মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। অৰুণোদয় আঁচনিৰ জৰিয়তে প্ৰতিগৰাকী মহিলাই মাহে ১২৫০ টকাকৈ লাভ কৰাৰ লগতে ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয় কৰিবৰ বাবে চৰকাৰে অতিৰিক্তভাৱে ২৫০ টকাকৈ দিব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। অহা বছৰৰ ফেব্ৰুৱাৰীত চৰকাৰে মাতৃসকলৰ বাবে ডাঙৰ উপহাৰ আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বিটিআৰৰ জিলাসমূহৰ বাহিৰে ৰাজ্যৰ সকলো জিলাৰ আয়ুক্ত সকলক অৰুণোদয় আঁচনিৰ ৰূপায়ণৰ কাম যথাযথভাৱে সম্পন্ন কৰিবলৈও তেওঁ নিৰ্দেশ দিছে।

উল্লেখযোগ্য যে, ৰাজ্যৰ অন্যান্য জিলাতো আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ কৰা হয়।

**ডিব্ৰুগড়** জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীৰ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰি আঁচনিখন আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অন্তৰ্গত ১২৬ নম্বৰ বুথত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰে। জিলাখনৰ ২৯ হাজাৰ গৰাকী মহিলাই আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ ধন লাভ কৰে। তিনিচুকীয়া জিলাৰ বিভিন্ন স্থানতো অৰুণোদয় আঁচনিৰ শুভাৰম্ভণি কাৰ্যসূচীৰ আয়োজন কৰা হয়।

**ধেমাজি** জিলাৰ বিভিন্ন স্থানটো আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ আনুষ্ঠানিক মুকলিৰ বাবে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলাখনৰ ৮৩ হাজাৰ ৩৫৩ গৰাকী মহিলা অৰুণোদয় আঁচনিৰ জৰিয়তে উপকৃত হ'ব বুলি জিলা প্ৰশাসনে প্ৰকাশ কৰিছে।

ooooo

শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ. আই. টিৰ তদন্ত প্ৰক্ৰিয়া অব্যাহত আছে। ১৯ ছেপ্তেম্বৰত ছিংগাপুৰৰ ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী অসমীয়া ৰূপকমল কলিতা আজি উলুবাৰীস্থিত চি আই ডিৰ কাৰ্যালয়ত উপস্থিত হয়। আৰক্ষীয়ে তেওঁক প্ৰায় ছঘণ্টা ধৰি সোধা-পোচা কৰাৰ অন্তত যাবলৈ দিয়ে। উল্লেখযোগ্য যে এই গোচৰ সন্দৰ্ভত এছ আই টিয়ে ছিংগাপুৰত থকা ৮জন প্ৰবাসী অসমীয়াক ৬ অক্টোবৰত হাজিৰ হোৱাৰ বাবে জাননী জাৰি কৰিছিল। এইসকলৰ ভিতৰত কেৱল ৰূপকমল কলিতাহে আজি চি আই ডিৰ কাৰ্যালয়ত উপস্থিত হয়।

ooooo

ডিব্ৰুগড় জিলাৰ ঘোঁৰামৰা উপ-আৰক্ষী চকীৰ অধীনৰ দীপা দাস এগৰাকী মহিলা যোৱা ৩ অক্টোবৰ পৰা সন্ধানহীন হৈ আছে। ৩৭ বছৰীয়া মহিলাগৰাকীক বিচাৰি পৰিয়ালৰ লোকে থানাত এজাহাৰ দাখিল কৰিছে যদিও এই পৰ্যন্ত কোনো সন্ধান লাভ কৰা নাই।

ooooo

সমাপ্ত